# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-06-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
# HEADLINES

১।  চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নাম ভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষাত অনিয়মৰ অভিযোগত বিৰোধী পক্ষই কৰা প্ৰতিবাদৰ বাবে লোকসভাৰ কামকাজ দিনটোৰ বাবে স্থগিত।

২।  প্ৰস্তাৱিত কামাখ্যা ক'ৰিডৰ প্ৰকল্পৰ আন্তঃগাঁঠনিৰ কামকাজ সুচলভাৱে কৰাৰ বাবে ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানে সকলো পৰীক্ষা-নিৰীক্ষা কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৩।  ৰাজ্যৰ বজাৰসমূহৰ পৰা মহলদাৰ ব্যৱস্থা সম্পূৰ্ণৰূপে বাতিল কৰা হ'ব বুলি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ শিৱসাগৰৰ বিভাগীয় পৰ্যালোচনা সভাত মন্তব্য।

৪।  অসম বিধানসভাৰ উদ্যোগত ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত নোহোৱা ৰাজ্যৰ স্বায়ত্ব শাসিত পৰিষদসমূহৰ আজিৰে পৰা দুদিনীয়া সন্মিলন।

*আৰু*

৫।  সম্ভাব্য বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত সকলো বিভাগৰ তৎপৰতা বৃদ্ধি।

০০০০০০০

চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমত নাম ভৰ্তিৰ ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা নীটৰ অনিয়মৰ অভিযোগত বিৰোধী পক্ষই সাব্যস্ত কৰা প্ৰতিবাদৰ বাবে লোকসভাৰ কাৰ্যক্ৰমণিকা আজি দিনটোৰ বাবে স্থগিত ৰাখিবলগীয়া হয়।

লোকসভাৰ কাম-কাজ প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত কংগ্ৰেছৰ সাংসদসকলে বিষয়টো লৈ শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত শ্ল'গান দিবলৈ ধৰে। লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে কয় যে তেওঁলোকে শিক্ষাৰ্থীসকলক এটা গুৰুত্বপূৰ্ণ বিষয়ৰ বাৰ্তা দিব খোজে। গতিকে বিষয়টো লৈ আলোচনা হ'ব লাগে। আনহাতে  কংগ্ৰেছ, ডি এম কে, তৃণমূল কংগ্ৰেছ, সমাজবাদী পাৰ্টী আৰু অন্যান্য দলৰ সদস্যসকলে বিষয়টো উত্থাপন কৰাৰ বাবে সদনৰ মজিয়ালৈ উঠি যায়। এনে পৰিস্থিতিৰ মাজতে অধ্যক্ষ ওম বিৰলাই কয় যে বিষয়টো চালি জাৰি চোৱাৰ বাবে এখন কমিটি গঠন কৰা হৈছে। সদনৰ কাম-কাজ পূৰ্ব পৰিকল্পিতভাৱে চলিব লৈ নিদিয়াটো সংসদীয় গণতন্ত্ৰৰ বাবে সঠিক নহয় বুলি তেওঁ মন্তব্য কৰে।

ইফালে, নীটৰ বিষয়লৈ আলোচনাৰ বাবে বিৰোধী পক্ষই উত্থাপন কৰা দাবী প্ৰত্যাখ্যান কৰি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কয় যে ৰাষ্ট্ৰপতিৰ অভিভাষণৰ আলোচনাৰ বাবে নিৰ্ধাৰিত সময়ত অন্য বিষয়লৈ আলোচনা কৰাৰ পৰম্পৰা নাই। তেওঁ কয় যে, ৰাষ্ট্ৰপতি অভিভাষণৰ আলোচনাৰ সময়ত উত্থাপন কৰা যিকোনো বিষয়ৰ উত্তৰ দিবলৈ সাজু আছে। তাৰ পাছতো হুলস্থুলীয়া পৰিস্থিতি অব্যাহত থকাত সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখা হয়।

ৰাজ্যসভাতো আজি নীটক লৈ হুলস্থুলীয়া পৰিস্থিতৰ সৃষ্টি হয়। পুৱাৰ ভাগত ৰাজ্যসভা মিলিত হোৱাৰ সময়ত সভাপতি জগদীপ ধনখড়ে বিৰোধী সাংসদসকলে উত্থাপন কৰা সভাস্থগিতকৰণৰ জাননী অগ্ৰাহ্য কৰে। তেওঁ কয় যে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি দিয়া ভাষণত প্ৰশ্ন ফাদিল কাণ্ডৰ নিৰপেক্ষ তদন্ত আৰু দোষী সকলক কঠোৰ শাস্তি প্ৰদানৰ কথা উল্লেখ কৰিছে। ৰাষ্ট্ৰপতিৰ অভিভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাৰ সময়ত সদস্যসকলে বিষয়টো লৈ আলোচনাৰ কৰাৰ পৰ্যাপ্ত সময় পাব বুলি সভাপতিগৰাকীয়ে মন্তব্য কৰে।ৰাজ্যসভাত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গে কয় যে যোৱা ৭ বছৰত ৭০ বাৰ প্ৰশ্নকাকত ফাদিল হৈছে। তেওঁ বিষয়টো লৈ আলোচনাৰ বাবে দাবী উত্থাপন কৰে। ইয়াৰ পাছতে কংগ্ৰেছ, ডি এম কে, টি এম চি, সমাজবাদী পাৰ্টী, আম আদমী পাৰ্টী, আৰ জে দি আৰু

অন্যান্য দলৰ সদস্যসকলে সদনত হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে সভাপতিয়ে সদনৰ কাম-কাজ চলাই নিয়াৰ চেষ্টা চলাই যদিও প্ৰতিবাদী সদস্যসকল সদনৰ মজিয়ালৈ উঠি যায়। হুলস্থুল শাম নকটাত সভাপতিয়ে সদনৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখে। সদনৰ কামকাজ পুনৰ আৰম্ভ হোৱাৰ পাছত বিৰোধী সদস্যসকলে পুনৰ হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি কৰাত সদনৰ কামকাজ আঢ়ৈ বজালৈ স্থগিত ৰখা হয়।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কামাখ্যা মন্দিৰত উপস্থিত হৈ ৰাজ্যবাসীৰ সুখ আৰু সমৃদ্ধিৰ বাবে প্ৰাৰ্থনা জনায়। ইয়াৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত প্ৰস্তাৱিত কামাখ্যা ক'ৰিডৰ প্ৰকল্প সন্দৰ্ভত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। মুখ্যমন্ত্ৰীয়ে জনায় যে, নিবিদাৰ পাছত ব্যক্তিগত কোম্পানী এটাই এই প্ৰকল্পটোৰ কাম লাভ কৰিছে। কোম্পানীটোৱে নক্সা আৰু পৰিকল্পনা ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটীক প্ৰদান কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানে সকলো পৰীক্ষা-নিৰীক্ষা কৰিব যাতে কামাখ্যাৰ আন্তঃগাঁথনিত কোনো ধৰণৰ অসুবিধা নহয়। ইপিনে ক'ৰিডৰ শব্দটো শুনি একাংশই ভয় খাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৈছে যে, ক'ৰিডৰ মানে এটা পথ ডাঙৰকৈ বনোৱা হ'ব, পথৰ ওপৰত টিনপাত দিয়া হ'ব। ইয়াৰ বাহিৰে একো পৰিৱৰ্তন নহয় বুলি মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰি দিয়ে।

oooooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি সন্ধিয়া ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰত উপস্থিত হৈ সত্ৰখনৰ মেৰামতিৰ কামৰ আৰম্ভণি কৰে। সত্ৰখনৰ মূল গৃহৰ পুৰণি টিনপাতকে ধৰি অন্যান্য বিভিন্ন দিশত মেৰামতিৰ প্ৰয়োজন হোৱাৰ বিষয়ে সত্ৰ পৰিচালনা সমিতিয়ে যোৱা দৌল উৎসৱৰ সময়ত মুখ্যমন্ত্ৰীক অৱগত কৰিছিল। ইয়াৰ পাছতে মুখ্যমন্ত্ৰীয়ে এই কামৰ বাবে এক কোটি টকাৰ আবণ্টন দিয়ে। আবণ্টিত ধনেৰে কালিৰে পৰা টিনপাত সলনি কৰাৰ কাম কৰা হৈছে। নলবাৰীত অনুষ্ঠিত কেবিনেট বৈঠকৰ পাছত বৰপেটাত উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে সত্ৰ পৰিচালনা সমিতিৰ সৈতে বৈঠকত মিলিত হয়। সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে কয় যে ১৯৬২ চনৰ পাছত প্ৰথমবাৰৰ বাবে বৰপেটা সত্ৰৰ টিনপাত সলনি কৰাৰ কাম আৰম্ভ কৰিবলৈ পাই তেওঁ সুখী অনুভৱ কৰিছে। তেওঁ লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সৰ্বাধিক সময় অতিবাহিত কৰা পাটবাউসীৰ শংকৰদেৱ থানক কেন্দ্ৰ কৰি প্ৰস্তাৱ কৰা প্ৰকল্পৰ কাম অহা আগষ্টৰ শেষত নাইবা ছেপ্তেম্বৰৰ প্ৰথমতে আৰম্ভ কৰা হ'ব বুলি জানিবলৈ দিয়ে।

মুখ্যমন্ত্ৰীয়ে লগতে বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ত উপস্থিত হৈ চিকিৎসালয়খনৰ কামকাজৰ বুজ লয়। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ চৌহদত নিৰ্মাণ কৰা ১০০ খন বিচনাযুক্ত মহিলা আৰু শিশু চিকিৎসালয়খন আগষ্টত মুকলি কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। চিকিৎসা মহাবিদ্যালয়খনৰ বাবে যিধৰণৰ পুঁজি চৰকাৰে লাভ কৰিব, সেইমতে উন্নয়নমূলক কামো আগবঢ়াই নিয়া হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বৰপেটাত এখন বি এছ চি নাৰ্ছিং মহাবিদ্যালয় স্থাপন কৰা হ'ব বুলিও প্ৰকাশ কৰে। প্ৰসংগক্ৰমে মুখ্যমন্ত্ৰীয়ে জনাই যে চিকিৎসা মহাবিদ্যালয়খনত এটা অত্যাধুনিক চিটিস্কেন মেচিন সংস্থাপনৰ কামো চলি আছে। চিকিৎসাৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ সকলো চিকিৎসালয়তে সাপৰ বিষনাশক বেজি উপলব্ধ হৈ আছে যদিও একাংশ চিকিৎসকে প্ৰতিক্ৰিয়া হোৱাৰ ভয়ত এই বেজি দিব নিবিচাৰে ইতিমধ্যে ১০০ গৰাকী চিকিৎসকক এই বেজি দিয়াৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

oooooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি শিৱসাগৰত খাদ্য আৰু অসামৰিক যোগান, পঞ্চায়ত আৰু অসম ৰাজ্যিক জীৱিকা অভিযানৰ কাম-কাজৰ পৰ্যালোচনা কৰে। শিৱসাগৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ চ্যুকাফা ভৱনত অনুষ্ঠিত পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰাৰ পাছত মন্ত্ৰী দাসে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত অসমত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত নিৰ্ধাৰিত ২০ লাখ ঘৰৰ ভিতৰত ১৮ লাখ ৬০ হাজাৰৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে বুলি উল্লেখ কৰে। ইয়াৰ উপৰি তেওঁ বজাৰসমূহৰ মহলদাৰ ব্যৱস্থা সম্পূৰ্ণ ৰূপে বাতিল কৰা হ'ব বুলি জানিবলৈ দিয়ে। বজাৰসমূহত নিবিদা ব্যৱস্থাই সাধাৰণ কৃষকক বিপদত পেলোৱাৰ কথা উল্লেখ কৰি মন্ত্ৰী দাসে এই ব্যৱস্থা বিলুপ্ত কৰা হ'ব বুলি ব্যক্ত কৰে। উচ্চ হাৰৰ নিবিদাৰ ফল ক্ষুদ্ৰ কৃষক ৰাইজে ভূগিবলগা হয় বুলি তেওঁ কয়। নিবিদা বাতিলৰ ফলত চৰকাৰে ৩০ৰ পৰা ৩৫ কোটি টকাৰ ৰাজহ হেৰুৱাব

যদিও কৃষকসকলৰ ভৱিষ্যতৰ কথা চিন্তা কৰিয়েই চৰকাৰে এই সিদ্ধান্ত কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। বৰ্তমান যিসমূহ বজাৰৰ নিবিদা হৈ গ'ল সেইসমূহ তেনেদৰেই চলি থাকিব যদিও নিবিদা হ'বলগীয়া বজাৰসমূহৰ ক্ষেত্ৰত চৰকাৰে নিয়ন্ত্ৰণ কৰিব, যাতে উচ্চ হাৰত নিবিদা দাখিল কৰিব নোৱাৰে। কেবিনেট উপ-সমিতিৰ সিদ্ধান্ত মৰ্মে ২০২৫ চনৰ এপ্ৰিলৰ পৰা এই ব্যৱস্থা কাৰ্যকৰী হ'ব। শীঘ্ৰেই এই বিষয়ক লৈ জাননী জাৰি কৰা হ'ব বুলিও মন্ত্ৰী ৰঞ্জিত দাসে জানিবলৈ দিয়ে।

০০০০০০০০

ৰাজ্যৰ পৰিবহন মন্ত্ৰী কেশৱ মহন্তই অসমৰ পৰা আন্তঃৰাষ্ট্ৰীয় বিমান সেৱা সম্প্ৰসাৰণৰ বিষয়ত আজি **এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছৰ** সৈতে এখন আলোচনা অনুষ্ঠিত হয়। এই বৈঠকত এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছে গুৱাহাটীৰ পৰা অতি শীঘ্ৰে ঢাকা আৰু কাঠমাণ্ডু সংযোগী নতুন বিমান পথেৰে পোনপটীয়া বিমান সেৱা আৰম্ভ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। তদুপৰি গুৱাহাটী-ছিংগাপুৰ আৰু গুৱাহাটী-বেংকক সংযোগী বিমান সেৱা মুকলিৰ বাবেও বৈঠকত বিমান পৰিবহন সংস্থাটোৱে আগ্ৰহ দেখুওৱা বুলি পৰিবহন মন্ত্ৰী শ্ৰীমহন্তই প্ৰকাশ কৰে।

০০০০০০০০

তামুলপুৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ত আজি বি টি আৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে নৰ্থ-ইষ্টাৰ্ন ডেভেলপমেণ্ট কৰ্পৰেচনৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। এই সংস্থাটোৱে বি টি আৰত বৈজ্ঞানিক পদ্ধতিৰে উন্নতমানৰ কৃষি কাৰ্যৰ সম্ভাৱনীয়তা সম্পৰ্কে অধ্যয়ন চলাইছিল আৰু বি টি আৰত বিনিয়োগৰ বাবে ৯টা সম্ভাব্য ক্ষেত্ৰ চিনাক্ত কৰিছিল। এই অধ্যয়নৰ ফলস্বৰূপে আজিৰ বৈঠকত কাঠফুলা, সৰিয়হ, ষ্ট্ৰবেৰীকে ধৰি বিভিন্ন ধৰণৰ শস্যৰ কৃষি কাৰ্যৰ লগতে মৌ পালন তথা গাহৰি পালনকে আদি কৰি বিভিন্ন বৈজ্ঞানিক পদ্ধতিৰ বিষয়ে আলোচনা কৰা হয়। আজিৰ এই বৈঠকত বি টি আৰ প্ৰধানগৰাকীৰ লগতে তামুলপুৰৰ আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতী, স্থানীয় বিধায়ক জলেন দৈমাৰী, কেইবাগৰাকীও কাৰ্যবাহী সদস্য, পাৰিষদ তথা জিলা প্ৰশাসনৰ কেইবাগৰাকীও উচ্চ পদস্থ বিষয়া উপস্থিত থাকে।

০০০০০০০০

অসম বিধানসভাৰ উদ্যোগত ৰাজ্যৰ স্বায়ত্ব শাসিত পৰিষদসমূহৰ এখন সন্মিলন আজিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে দিছপুৰৰ অসম বিধানসভাত অনুষ্ঠিত হৈছে। ৰাজ্যৰ জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উদ্বোধন কৰা সন্মিলনখনৰ উদ্বোধনী অনুষ্ঠানত ভাষণ দি অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কয় যে স্বায়ত্ব শাসিত পৰিষদসমূহক শক্তিশালী আৰু কৰ্মদক্ষ কৰা, কামকাজ পৰিচালনা শৃংখলিত কৰাৰ বাবে বিধি প্ৰস্তুত কৰা, পৰিষদসমূহৰ বিভাগীয় কামকাজসমূহ সহজে আৰু আইন অনুসৰি সম্পন্ন কৰাৰ বাবে বিধি প্ৰস্তুত কৰা আদি উদ্দেশ্যেৰে এই সন্মিলনৰ আয়োজন কৰা হৈছে। সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত নোহোৱা ১০খন স্বায়ত্ব শাসিত পৰিষদৰ সন্মিলনৰ পাছত ষষ্ঠ অনুসূচীৰ অন্তৰ্গত স্বায়ত্ব শাসিত পৰিষদ তিনিখনৰ বাবে আন এখন সন্মিলন অনুষ্ঠিত হ'ব বুলি শ্ৰী দৈমাৰীয়ে কয়। সন্মিলনত আদৰণি ভাষণ দি সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই কয় যে, অসমৰ মুঠ জনসংখ্যা ১৭ দশমিক ৫ শতাংশ অনুসূচীত জনজাতি লোকৰ উন্নয়নৰ বাবে ৰাজ্যচৰকাৰে যতপৰোনাস্তি চেষ্টা চলাই আছে। বিভিন্ন পাঠ্যক্ৰমত নাভৰ্তিৰ লগতে নিযুক্তিৰ ক্ষেত্ৰতো চৰকাৰে এনে লোকসকলৰ সংৰক্ষণৰ ব্যৱস্থা কৰিছে। সন্মিলনত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, নন্দিতা গাৰ্লোচায়ো ভাষণত ৰাজ্য চৰকাৰ আৰু স্বায়ত্ব শাসিত পৰিষদ সমূহে পাৰস্পৰিক বুজাবুজিৰে কাম কৰাৰ পোষকতা কৰে। প্ৰথমবাৰৰ বাবে আয়োজিত এই সন্মিলনত ৰাভা হাচং, মিচিং, তিৱা, দেউৰী, ঠেঙাল কছাৰী, সোণোৱাল কছাৰী, বড়ো-কছাৰী, কমতাপুৰ, মৰাণ আৰু মটক স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য, উপ-মুখ্য কাৰ্যবাহী সদস্যকে ধৰি পৰিষদৰ সদস্য সকলে অংশগ্ৰহণ কৰে।

০০০০০০০

সম্ভাব্য বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কাজিৰঙাত তৎপৰতা বৃদ্ধি পোৱাৰ লগতে প্ৰতিটো বিভাগ সক্ষম হৈ উঠিছে। যিকোনো মুহূৰ্ততে উদ্ভৱ হ'ব পৰা বান পৰিস্থিতিৰ বাবে কঁহৰাস্থিত ৰাজ্যিক পশু চিকিৎসালয় সাজু হৈ আছে। চিকিৎসালয়খনে আজি হেল্পলাইন নম্বৰ আৰু বিশেষ বাহন মুকলি কৰিছে। বিপদত পৰা বন্যপ্ৰাণী দেখিলেই ১৯৬২ নম্বৰত ফোন কৰিলে বন্যাৰ্ত জীৱৰ ওচৰত পশুধন সাৰথি নামৰ বাহনখন উপস্থিত হ'ব বুলি চিকিৎসালয় কৰ্তৃপক্ষই জানিবলৈ দিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পশু চিকিৎসক বিশ্বজিৎ বৰুৱাই ৰাইজৰ সহযোগিতা আহ্বান কৰি কৈছে যে বিপদত পৰা বন্যপ্ৰাণী দেখিলে উদ্ধাৰৰ

ক্ষেত্ৰত ৰাইজে নিজে চেষ্টা নকৰি বন বিভাগ আৰু পশু চিকিৎসা বিভাগক খবৰ দিয়ে যেন। পশুপালন আৰু পশু চিকিৎসা বিভাগৰ নৱতম সংযোজন পশুধন সাৰথিয়ে পোন প্ৰথমবাৰৰ বাবে এইবাৰৰ বানত সেৱা আগবঢ়াব। বাহনখনত এজন চিকিৎসক নিয়োজিত কৰা হৈছে।

ooooo

কৰিমগঞ্জ জিলাৰ বহু লোক বানপানীৰ বাবে গৃহবন্দী হৈ পৰিছে। কৰিমগঞ্জৰ পাঁচটা ৰাজহ চক্ৰৰ মুঠ ৩২০খন গাঁও পানীত বুৰ গৈছে। বৰ্তমান জিলাখনত ১১২টা সাহায্য শিবিৰ সক্ৰিয় হৈ আছে আৰু তাত ১৫ হাজাৰতকৈও অধিক লোকক আশ্ৰয় দিয়া হৈছে। নিলাম বাজাৰ ৰাজহ চক্ৰৰ ১০৬খন গাঁও আটাইতকৈ বেছি প্লাৱিত হোৱাৰ বিপৰীতে ৰামকৃষ্ণ নগৰ ৰাজহ চক্ৰত ৭১খন গাঁও, কৰিমগঞ্জ সদৰ চক্ৰৰ অন্তৰ্গত ৮৭খন গাঁও, বদৰপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ২৫খন আৰু পাথাৰকান্দি ৰাজহ চক্ৰৰ অন্তৰ্গত ৩১খন গাঁও পানীত বুৰ গৈছে। তাৎপৰ্যপূৰ্ণভাৱে এইবাৰৰ ভয়াবহ বানৰ ফলত জিলাখনৰ দুহেজাৰ ৩৩৭ হেক্টৰতকৈও অধিক কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। জিলাখনত মুঠ ২ লাখ ৫৭ হাজাৰ লোক বানত ক্ষতিগ্ৰস্ত হয়। অৱশ্যে জিলাখনৰ কুছিয়াৰা নৈৰ জলপৃষ্ঠ অপৰিৱৰ্তিত হৈ আছে।

oooooooo

মাজুলী জিলা শিশু সুৰক্ষা গোটৰ উদ্যোগত আৰু বৰগুৰি যোৰবিল ৰূপজ্যোতি উচ্চ মাধ্যমিক বিদ্যালয় আৰু জেংৰাই বালিচাপৰি ৰংগমঞ্চৰ কৰ্মকৰ্তাৰ সহযোগত শিশু সুৰক্ষাৰ সন্দৰ্ভত কালি দুখনকৈ সজাগতা সভা অনুষ্ঠিত হয়। সভাত মাজুলী জিলাৰ সহকাৰী আয়ুক্ত তথা জিলা শিশু সুৰক্ষা বিষয়া আৰু কেইবাগৰাকীও সমাজকৰ্মী উপস্থিত থাকে।

oooooooo

মৰিগাঁও জিলা সমগ্ৰ শিক্ষা অভিযান আঁচনিৰ অধীনত আজিৰে পৰা মৰিগাঁও টাউন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দুদিনীয়া কাৰ্যসূচীৰে নডেল শিক্ষকৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। জিলাখনৰ ৮জন প্ৰশিক্ষকে তিনি শতাধিক প্ৰাথমিক শিক্ষকক ছাত্ৰ-ছাত্ৰীৰ তিনি-খলপীয়া পাঠদান সম্পৰ্কত এই প্ৰশিক্ষণ প্ৰদান কৰিছে। উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি সমগ্ৰ শিক্ষা অভিযানৰ প্ৰকল্প বিষয়া ৰুহিনী দত্তই তিনি-তৰপীয়া প্ৰশিক্ষণৰ জৰিয়তে শিক্ষকসকলে পাঠদানৰ সময়ত হাতত ল'বলগীয়া ব্যৱস্থাৱলী ব্যাখ্যা কৰে।

oooooooo

মৰিগাঁও জিলাৰ জাগীৰোড মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিৰূপণ কোষ, জাগীৰোড মহাবিদ্যালয় ছাত্ৰ একতা সভা, য়ুথ ৰেড ক্ৰছ এছোচিয়েচনৰ উদ্যোগত আজি জাগীৰোডত ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। গুৱাহাটীৰ ডাঃ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ সহযোগত জাগীৰোড মহাবিদ্যালয়ত আয়োজন কৰা এই শিবিৰত কেইবাগৰাকীও ব্যক্তিয়ে ৰক্তদান কৰে। এই শিবিৰত জাগীৰোডৰ আন আন কেইবাটাও সংগঠনে সহযোগিতা আগবঢ়াইছে।

oooooooo

অৰুণাচল প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী চাওনা মেইন আৰু ৰাজ্যৰ আবকাৰী মন্ত্ৰী কেশৱ মহন্তৰ উপস্থিতিত আজি দুয়োখন ৰাজ্যৰ আবকাৰী বিভাগৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। গুৱাহাটী অসম প্ৰশাসনিক পদাধিকাৰী মহাবিদ্যালয়ত অনুষ্ঠিত এই বৈঠকত আবকাৰী ৰাজহ বৃদ্ধিৰ বাবে দুয়োখন ৰাজ্যই পূৰ্ণ সহযোগিতাৰে কাম কৰি যোৱাৰ লগতে অবৈধ সুৰাৰ বিক্ৰী ৰোধৰ বাবে ক্ষীপ্ৰতাৰে তথ্যৰ আদান-প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হয়। বৈঠকত দুয়োখন ৰাজ্যৰ বিভাগীয় উচ্চপদস্থ বিষয়াসকল উপস্থিত আছিল।

oooooooo

**সমাপ্ত**